অধ্যায় ৪ ঃ সুতৰ হাৰ (INTEREST RATE)

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ সুতৰ হাৰৰ অর্থ আৰু গুৰুত্ব
৪.৪ বিভিন্ন প্রকাৰৰ সুতৰ হাৰ
৪.৫ প্রশাসিত সুতৰ হাৰৰ অর্থ আৰু বৈশিষ্ট্য
৪.৬ অনিয়ন্ত্রিত সুতৰ হাৰৰ অর্থ আৰু বৈশিষ্ট্য
৪.৭ ভাৰতবর্ষত সুতৰ হাৰৰ গাঁথনি
৪.৮ বিল হাৰ
৪.৯ আমানত হাৰ
৪.১০ খত হাৰ
৪.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.১২ অধিক জানিবলৈ
৪.১৩ অগ্রগতিৰ খতিয়ান
৪.১৪ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য (LEARNING OBJECTIVES)

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সুতৰ হাৰৰ অর্থ আৰু গুৰুত্ব বিষয়ে বর্ণনা কৰিব পাৰিব।
- বিভিন্ন প্রকাৰৰ সুতৰ হাৰৰ বিষয়ে আলোচনা কৰিব পাৰিব।
- অনিয়ন্ত্রিত সুতৰ হাৰৰ যুক্তি যুক্ততাৰ বর্ণনা দিব পাৰিব।
- বিল হাৰ, বস্তু হাৰ আৰু আমাণত হাৰৰ ধাৰণাৰ বর্ণনা দিব পাৰিব।

৪.২ পৰিচয় (INTRODUCTION)

আপুনি হয়টো জানে যে প্রত্যেক ব্যক্তিয়ে যিয়ে টকা ধাৰলৈ দিয়ে, বিনিয়োগ কৰে নাইবা অংশ ধাৰণ কৰে তেওঁলোকে ইয়াৰ ওপৰত লাভ বিচাৰে। যেতিয়া এই লাভ (Return) এটা নির্ধাৰিত হাৰত আৰু ইয়াক শতাংশত প্রকাশ কৰে তাক সুতৰ হাৰ বুলি জনা যায়। বিত্তীয় বজাৰত বিভিন্ন প্রকাৰৰ সুতৰ হাৰ পোৱা যায়। সুতৰ হাৰৰ গঠন দেশভেদে বেলেগ বেলেগ পোৱা যায়। এই অধ্যায়ত আমি সুতৰ হাৰৰ অর্থ, গুৰুত্ব আৰু লগতে বিভিন্ন প্রকাৰৰ সুতৰ হাৰ আৰু ইয়াৰ বৈশিষ্ট্য আলোচনা কৰিম।

৪.৩ সুতৰ হাৰৰ অর্থ আৰু গুৰুত্ব (MEANING AND IMPORTANCE OF INTEREST RATE)

টকা ধাৰলৈ ল'লে আমি সুত দিব লাগে। কিন্তু সুতনো কি? সুত হ'ল ঋণদাতাৰ পৰা লোৱা মুঠ টকা আৰু ঋণদাতাক ওভতাই দিয়া মুঠ টকাৰ মাজৰ পার্থক্য। অন্য ভাষাত ই হ'ল ঋণদাতাৰ পৰা টকা লৈ ব্যৱহাৰ কৰাৰ বাবদ দিবলগা মূল্য। যেতিয়া বেংকে ঋণ দিয়ে ঋণ গ্ৰহণকাৰীয়ে বেংকৰ টকা ব্যৱহাৰ কৰাৰ বিনিময়ত কিছু মূল্য ভৰিব লাগে। সেইদৰে যেতিয়া এটা কোম্পানীয়ে অংশ বিক্ৰীৰ জৰিয়তে মুলধন সংগ্ৰহ কৰে বিনিয়োগকাৰীক ইয়াৰ মূল্য (যাক সুত বুলি কোৱা হয়) দিব লাগে। ইয়াৰ কাৰণ হ'ল কোম্পানীয়ে এটা নির্দিষ্ট সময়ৰ বাবে বিনিয়োগকাৰীৰ টকা ব্যৱহাৰ কৰিছে। এই মূল্যক সুত বোলে। আনহাতে বেংকে যেতিয়া ৰাইজৰ পৰা আমাণত গ্ৰহণ কৰে ইয়াক ধাৰ গ্ৰহণকাৰী আৰু জমাকাৰীক ঋণ দাতা হিচাপে গণ্য কৰা হয় আৰু জমাকাৰীক ঋণ দাতা হিচাপে গণ্য কৰা হয়। এইক্ষেত্ৰত বেংকে জমাকাৰী ৰাইজক পুঁজি জমা লোৱাৰ বাবদ মূল্য দিব লাগে। ইয়াকো সুত বোলে। সেয়েহে সুত বুলিলে টকা ব্যৱহাৰ কৰাৰ বাবদ এঠা পক্ষই আন এটা পক্ষক দিবলগীয়া মূল্যক বুজায়। কেইন্‌ছ (Keynes)ৰ মতে সুতৰ হাৰ হ'ল নগদ টকা ৰখাৰ পৰিবর্তে নিৰাপত্তা ৰখাৰ বাবে উৎসাহিত কৰাৰ বাবদ দিয়া পুৰস্কাৰ। ভাৰসাম্য সুতৰ হাৰ বিত্তীয় বজাৰৰ চাহিদা আৰু যোগানৰ গতিৰ ওপৰত নির্ভৰশীল। পৌৰাণিক তত্ত্বৰ পণ্ডিত ৰিকার্ডো, হুমি আৰু ফিচাৰৰ মতে সুতৰ হাৰ হ'ল সঞ্চয় পুঁজি যোগানৰ বাবে বিনিয়োগকাৰীয়ে কৰা ত্যাগ বা ৰৈ থকাৰ বাবদ দিয়া পুৰস্কাৰ। ইয়াৰ অর্থ হ'ল ভৰিষ্যতলৈ অধিক পুঁজি পোৱাৰ আশাৰে দিয়া মূল্য।

সুতৰ হাৰৰ গুৰুত্ব

দেশীয় অর্থনীতিত সুতৰ হাৰ অতি গুৰুত্বপূর্ণ। তলৰ আলোচনাই সুতৰ হাৰৰ গুৰুত্ব বুজাত সহায় কৰিব।

- পণ্য দ্ৰব্যৰ সাধাৰণ মূল্যৰ লগত সুতৰ হাৰৰ সম্পর্ক দেখা যায়। এই সম্পর্ক যোগাত্মক। সেয়েহে সুতৰ হাৰক পৰিপাতিকৈ বা পুনঃ পৰিপাতিকৈ নির্ধাৰণ কৰাটো দেশৰ অর্থনীতিৰ বাবে অতি গুৰুত্বপূর্ণ।
- সুতৰ হাৰ আৰু টকা যোগানৰ মাজতো যোগাত্মক সম্পর্ক দেখা যায়। কেইনছে মন্তব্য কৰিছে যে টকাৰ পৰিমাণ বাঢ়িলে সুতৰ হাৰ কমে বা ইয়াৰ ওলোটা হয়। নিৰাপত্তাপত্ৰৰ মুক্ত বজাৰ ক্ৰয়ে ইয়াৰ মূল্য বৃদ্ধি কৰে আৰু ইয়াৰ উৎপন্ন (সুতৰ হাৰ) হ্ৰাস কৰে।
- ভাৰতবর্ষৰ নিচিনা দেশত সাধাৰণ পর্যায়ৰ সুতৰ হাৰৰ উপৰিও আন বহুতো ধৰণৰ সুতৰ হাৰ পোৱা যায় যাক 'পৃথক সুতৰ হাৰ বোলে'। এই পৃথক সুতৰ হাৰৰ নীতিটো কর্তৃপক্ষই সামাজিক বিকাশ তৰান্বিত কৰাৰ লক্ষত উপনিত হ'বলৈ ব্যৱহাৰ কৰে। সেয়েহে এই বৃহৎ অর্থনীতিত যেনে- ক্ষুদ্ৰ উদ্যোগ, ৰপ্তানি, কৃষি, ক্ষুদ্ৰ ঋণগ্ৰহণকাৰী, পিচপৰা অঞ্চল আৰু অন্য অগ্ৰাধিকাৰ খণ্ডৰ বাবে সুতৰ হাৰে গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।

- মুদ্রাস্ফীতি নিয়ন্ত্রণৰ এটা আহিলা হ'ল সুতৰ হাৰ। কম সুতৰ হাৰ নীতি ভৱিষ্যতৰ মুদ্রাস্ফিতি নিয়ন্ত্রণৰ বাবে উপযুক্ত আহিলা।
- সঞ্চয়ৰ হাৰ সুতৰ হাৰৰ ওপৰত নির্ভৰ কৰে। বিনিয়োগৰ ওপৰত উচ্চহাৰৰ সুতে সঞ্চয় বৃদ্ধিত উৎসাহিত কৰে। আনহাতে নিম্ন হাৰৰ সুতে সঞ্চয়ৰ উৎসাহ হ্রাস কৰে। সেয়েহে সুতৰ হাৰৰ লগত মুঠ সঞ্চয়, বিত্তীয় সঞ্চয়, ঘৰুৱা সঞ্চয় আৰু নিগমৰ সঞ্চয়ৰ মাজত গুৰুত্বপূর্ণ সম্পর্ক দেখা যায়।
- অর্থনীতিত সুতৰ হাৰে বিনিয়োগ স্তৰত প্রভাৱ পেলায়। নিম্ন সুতৰ হাৰে বিনিয়োগ আকর্ষিত কৰে। অর্থনীতিক অবনতি ৰোধ কৰে। অর্থনৈতিক পুনঃবিন্যাস কৰে আৰু অর্থনৈতিক বিকাশৰ হাৰ তৰান্বিত কৰে।
- সুতৰ হাৰৰ গাঁথনিয়ে সামাজিক বিকাশৰ গাঁথনিত প্রভাৱ পেলায়। বেংক জমা, ক্ষুদ্র সঞ্চয়, ভৱিষ্যৎ নিধি পুঁজি আৰু অন্য জমাৰ আহিলাসমূহৰ নিম্ন সুতৰ হাৰে সমাজৰ নিম্ন আয়ৰ গোট, বৃদ্ধ, দুর্বল, দুখীয়া ইত্যাদি শ্রেণীৰ লোকৰ সামাজিক উন্নয়নত অসুবিধাৰ সৃষ্টি কৰে।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১ঃ সুতৰ হাৰ কি?

.....

.....

প্রশ্ন নং ২ঃ সুতৰ হাৰৰ দুটা গুৰুত্ব সম্পর্কে আলোচনা কৰক।

.....

.....



অনুশীলনী-১

দুটা বাণিজ্যিক বেংকৰ শাখালৈ গৈ তেওঁলোকে ঋণ গ্রহণকাৰীৰ পৰা লোৱা বিভিন্ন প্রকাৰৰ সুতৰ হাৰৰ এখনি তালিকা প্রস্তুত কৰক।

.....

.....

.....

৪.৪ বিভিন্ন প্রকাৰৰ সুতৰ হাৰ (VARIOUS TYPES OF INTEREST RATES)

বিত্তীয় বজাৰত হ্রাস্যকালীন, মধ্যকালীন আৰু দীর্ঘকালীন বিভিন্ন ধৰণৰ সুতৰ হাৰ

প্ৰচলিত হৈ আহিছে— এইবোৰ আকৌ উচ্চতম পৰিমাণৰ হাৰৰ (ceiling) সুত, কুপন হাৰ, ফল হাৰ (yields) ধাৰণাৰে জনা যায়।

- **উচ্চতম পৰিমাণৰ হাৰ (ceiling rate) ঃ** এই হাৰে কৰ্তৃপক্ষই বিভিন্ন বিত্তীয় দাবীৰ বাবদ নিৰ্ধাৰণ কৰা নিৰ্ধাৰিত উচ্চতম সুতৰ হাৰক বুজায়। ভাৰতবৰ্ষত এই হাৰ চৰকাৰ আৰু ভাৰতীয় ৰিজাৰ্ভ বেংকে নিৰ্ধাৰণ কৰে।
- **কুপন হাৰ (coupon rate) ঃ** ইয়াক খত হাৰ বুলিও জনা যায়। কুপন হাৰ খত বা ঋণপত্ৰত থকা লিখিত মূল্যত দিয়া হয়।
- **ফল হাৰ (yield rate) ঃ** ফলহাৰে বিনিয়োগৰ দ্বাৰা উৎপন্ন কৰা ভৱিষ্যতৰ নগদ প্ৰবাহৰ মূল্য বৰ্তমানৰ সমপৰ্যায়ত ৰখাত সহায় কৰে। ব'ণ্ডৰ চলিত ফল যাক আয় ফল, বজাৰ ফল বা চলিত ফল বুলিও জনা যায়। ই হ'ল বজাৰ মূল্যৰ অনুপাতত প্ৰদান কৰা বাৰ্ষিক সুত। ম্যাদপূৰ্ণ (Maturity) ফল বা নাইবা পৰিশোধনীয় ফল হ'ল খণ্ডৰ পৰিশোধনীয় মূল্যৰ অনুপাতত বাৰ্ষিক সুত প্ৰদানৰ লগতে গড় মূল্য বৃদ্ধি বা অৱক্ষয়ৰ ওপৰত সুত। লভ্যাংশ ফল আৰু অৰ্জন ফল হ'ল সাধাৰণ অংশৰ বিনিযোজিত পুঁজিৰ মূল্য।

৪.৫ প্ৰশাসিত সুতৰ হাৰৰ অৰ্থ আৰু বৈশিষ্ট্য (MEANING AND FEATURES OF ADMINISTERED INTEREST RATES)

চৰকাৰে নিৰ্ধাৰণ আৰু নিয়ন্ত্ৰণ কৰা সুতৰ হাৰক প্ৰশাসিত সুতৰ হাৰ বোলে। বহু সময়ত উন্নয়নশীল দেশে সুতৰ হাৰ প্ৰশাসিত কৰি ইয়াক নিম্ন হাৰত ৰখাৰ চেষ্টা কৰে। নিম্ন সুতৰ হাৰে স্থায়ী মুলধন গঠনত সহায় কৰে। সুতৰ হাৰ নিয়ন্ত্ৰণে চৰকাৰক বিত্ত বিতৰণ, আয় আৰু বিত্ত সহজতে পোৱাত সহায় কৰে।

চৰকাৰে তলত দিয়া কাৰণসমূহৰ বাবে বেংকৰ আমাণত আৰু ঋণৰ হাৰ নিয়ন্ত্ৰণ কৰে—

- ঋণ লোৱা আৰু আমাণতৰ মাজত হ'ব পৰা অসুৰক্ষিত প্ৰতিযোগিতাৰ পৰা আঁতৰি থকা।
- সকলো বেংকৰে সুতৰ হাৰৰ সমজস্যতা ৰক্ষা কৰা।
- আমাণত হাৰক বেংকৰ ঋণদান হাৰ আৰু অন্য সুতৰ হাৰৰ শাৰিত ৰখা।
- আমাণত সংগ্ৰহত সহায় কৰা।
- আমাণনতৰ ম্যাদ পূৰ্ণতাৰ গাঁথনি শক্তিশালী কৰা।
- সুতৰ হাৰ সঘনাই সলনি হোৱাৰ পৰা আঁতৰি থাকিবলৈ কৰ্তৃপক্ষক সহায় কৰা।

প্ৰশাসিত সুতৰ হাৰে চৰকাৰক মুদ্ৰাৰ লেনদেন আকাংক্ষিত গতিত পৰিবাহিত কৰা আৰু মুদ্ৰাৰ ব্যৱহাৰ নিশ্চিত কৰাত সুবিধা দিয়ে।

প্ৰশাসিত সুতৰ হাৰৰ বৈশিষ্ট্য

তলত উল্লেখ কৰা ঘটনা-উদাহৰণকেইটাৰ পৰা আপুনি প্ৰশাসিত সুতৰ হাৰৰ বৈশিষ্ট্য বুজিব পাৰিব।

- বাণিজ্যিক আৰু সমবায় বেংকৰ আমাণত আৰু ঋণদান হাৰ কর্তৃপক্ষৰ দ্বাৰা নির্ধাৰণ হয়। ১৯৯৬ চনত প্রথমবাৰৰ বাবে আন্তঃবেংক চুক্তিৰ জৰিয়তে আমাণত হাৰ নির্ধাৰণ কৰা হৈছিল। ১৯৬৯ চনৰ পৰা ইয়াক ভাৰতীয় ৰিজাৰ্ভ বেংকে নির্ধাৰণ কৰি আহিছে। ঠিক সেইদৰে ১৯৬৪ চন আৰু ১৯৬৯ চনত সর্বোচ্চ আৰু সর্বনিম্ন ঋণৰ নির্ধাৰণ কৰে। ভাৰতীয় ৰিজাৰ্ভ বেংকে বৃহৎ, ক্ষুদ্র, সমবায় আৰু আঞ্চলিক বেংকৰ বিভিন্ন আমাণত হাৰ আৰু ঋণৰ হাৰ নির্ধাৰণ কৰে।
- ভাৰতীয় বেংক সংস্থাই ১৯৭৩ চনৰ পৰা ১৯৮৮ চনলৈ কল হাৰৰ সর্বোচ্চ সীমা নির্ধাৰণ কৰিছিল। ১৯৮৮ চনত কল হাৰ মুক্ত কৰি দিয়া হয়।
- চৰকাৰে কোষাগৰ বিল আৰু দীর্ঘম্যাদী চৰকাৰী নিৰাপত্তাপত্রৰ হাৰ নির্ধাৰণ কৰে।
- ম্যাদী বিত্তায়ন (term financing) প্রতিষ্ঠানৰ দীর্ঘম্যাদী সুতৰ হাৰ নির্ধাৰণত চৰকাৰৰ গুৰুত্বপূর্ণ প্রভাৱ দেখা যায়।
- ভাৰতীয় ৰিজাৰ্ভ বেংকে বিভিন্ন ধৰণৰ ঋণ গ্রহণকাৰী আৰু বিভিন্ন উদ্দেশ্যে লোৱা ঋণৰ হাৰ পৃথকে পৃথকে নির্ধাৰণ কৰে।
- ই বিভিন্ন বিত্তীয় আহিলা যেনে বাণিজ্যিক বিল ইত্যাদিৰ সুতৰ হাৰ নির্ধাৰণ কৰে।
- সমবায় সংস্থাই বাণিজ্যিক বেংকতকৈ উচ্চ হাৰত আমাণত গ্রহণ আৰু নিম্নহাৰত ঋণ প্রদান কৰে।



জনা উচিত

মূলধন বিনিয়োগ নিয়ন্ত্রকে মূলধন বিলি (নিয়ন্ত্রণ) আইন ১৯৪৭ অনুসৰি মূলধন বিলি নিয়ন্ত্রণ প্রশাসিত কৰে। মূলধন বিলি (নিয়ন্ত্রণ) আইনৰ মূল লক্ষ্য আছিল মূলধনী বজাৰ সুউন্নয়ন। ইয়াৰ বাবেই মূলধন বিলি নিয়ন্ত্রকক কোম্পানীৰ মূলধন বিলি নিয়ন্ত্রণৰ অধিকাৰ প্রদান কৰিছে। কোম্পানীয়ে মূলধন গাঁথনিৰ যিকোনো সাল-সলনি কৰিবলৈ হ'লে নিয়ন্ত্রকৰ অনুমোদন ল'ব লাগিছিল। ১৯৯২ চনত মূলধন বিলি (নিয়ন্ত্রণ) আইন বাতিল কৰে আৰু মূলধন বিলি নিয়ন্ত্রকৰ ঠাইত ভাৰতীয় প্রতিভূতি আৰু বিনিময় ব'র্ড গঠন কৰি মূলধন বিলি নিয়ন্ত্রণৰ অধিকাৰ ব'র্ডলৈ হস্তান্তৰ কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ঃ কুপন হাৰ কি?

.....

.....

.....

প্ৰশ্ন নং ৪ঃ তলৰ উক্তিবোৰ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক—

(ক) কোষাগাৰ বিল হ'ল অনিয়ন্ত্রিত সুতৰ হাৰৰ এটা উদাহৰণ।

(খ) প্ৰশাসিত সুতৰ হাৰ পদ্ধতিটো সুতৰ হাৰ নিম্ন আৰু স্থিৰ ৰখাৰ উদ্দেশ্যে গ্ৰহণ কৰা হয়।

৪.৬ অনিয়ন্ত্রিত সুতৰ হাৰৰ অৰ্থ আৰু বৈশিষ্ট্য (MEANING AND FEATURES OF DEREGULATED INTEREST RATES)

বজাৰ শক্তি (যোগান আৰু চাহিদা শক্তি) দ্বাৰা নিৰ্ধাৰিত সুতৰ হাৰক অনিয়ন্ত্রিত বা মুক্ত বা সৰণ সুতৰ হাৰ বোলা হয়। এই হাৰ বজাৰৰ দ্বাৰা নিৰ্ধাৰিত, বজাৰ সম্পৰ্কীয় আৰু নমনীয়। এই সুত হাৰ পদ্ধতিত চৰকাৰৰ নিয়ন্ত্রণ নাথাকে। ১৯৮০ দশকৰ মাজভাগৰ পৰা এই মুক্ত হাৰৰ প্ৰচলন আৰম্ভ হয়।

নিয়ন্ত্রিত সুতৰ হাৰত থকা ভালেমান আঁসোৱাহৰ বাবে ১৯৮৫ চনত চক্ৰৱৰ্তী কমিটীৰ নিয়ন্ত্রিত সুতৰ হাৰ ব্যৱস্থাৰ পৰিবৰ্তে মুক্ত আৰু সৰল সুতৰ হাৰ ব্যৱস্থা প্ৰৱৰ্তনৰ বাবে স্পষ্ট তথা সৰলভাৱে পৰামৰ্শ আগবঢ়ায়। মুক্ত সুতৰ হাৰৰ যোগেদি সঞ্চয়, বিত্তীয় ব্যৱস্থাৰ কাৰ্যদক্ষতা আৰু চৰকাৰী বিত্তায়নত কাৰ্যদক্ষতাৰ বাবে উপযুক্ত পৰিবেশ তথা সকলো দিশত আশানুৰূপ ফল আশা কৰিব পৰা যায় অথবা সম্ভৱপৰ হয়।

অনিয়ন্ত্রিত পদ্ধতিৰ বৈশিষ্ট্য

- টকাৰ যোগান আৰু চাহিদাৰ ওপৰত নিৰ্ভৰ কৰি বিত্তীয় প্ৰতিষ্ঠান হিচাপে বেংকে নিজাকৈ সুতৰ হাৰ নিৰ্ধাৰণ কৰে।
- সুতৰ হাৰ নিৰ্ধাৰণত চৰকাৰৰ কোনো হস্তক্ষেপ নাথাকে।
- যিহেতু প্ৰতিযোগিতামূলক বজাৰৰ ওপৰত সুতৰ হাৰ নিৰ্ধাৰিত হয়, বেংকভেদে বা ঋণৰ আহিলাভেদে ইয়াৰ তাৰতম্য হ'ব পাৰে।
- টকাৰ যোগান আৰু চাহিদাৰ পৰিবৰ্তন আৰু প্ৰতিষ্ঠানৰ মাজত হোৱা প্ৰতিযোগিতাৰ বাবে অনিয়ন্ত্রিত সুতৰ হাৰ সঘনাই পৰিবৰ্তন হোৱা দেখা যায়।
- অনিয়ন্ত্রিত পদ্ধতিত সুতৰ হাৰৰ অনিশ্চিয়তা, বিপদ আৰু তাৰাতম্য দেখা যায়।



অনুশীলনী-২

প্ৰশাসিত সুতৰ হাৰ আৰু মুক্ত বা অনিয়ন্ত্রিত সুতৰ হাৰৰ মাজৰ পাৰ্থক্য লিখক।

.....

.....

.....

৪.৭ ভাৰতবৰ্ষত সুতৰ হাৰৰ গাঁথনি (INTEREST RATE STRUCTURE IN INDIA)

- ১৯৮৫ চনলৈ ভাৰতবৰ্ষত প্ৰশাসিত সুতৰ হাৰ প্ৰচলিত আছিল।
- ১৯৮০ দহকৰ শেষৰফালে সুতৰ হাৰৰ গাঁথনিটোৰ পৰিবৰ্তন ঘটে আৰু বৰ্তমানে মিশ্ৰিত পদ্ধতি প্ৰচলতি হৈ আহিছে। প্ৰতিষ্ঠান আৰু আহিলাসমূহৰ মাজত বৰ্তমান প্ৰশাসিত আৰু মুক্ত দুয়োটা পদ্ধতি গ্ৰহণযোগ্য।
- অৰ্থনৈতিক বিকাশৰ প্ৰতি লক্ষ্য ৰাখি কেইটামান আহিলা যেনে— ক্ষুদ্ৰ সঞ্চয়, ভৱিষ্যনীধি, পুঁজি আৰু প্ৰবাহী ভাৰতীয়ৰ আমানত আদিৰ সুতৰ হাৰ চৰকাৰে নিয়ন্ত্ৰণ কৰে। সেয়েহে এই সুতৰ হাৰক প্ৰশাসিত সুতৰ হাৰ বোলে। ঠিক সেইদৰে বাণিজ্যিক আৰু সমবায় বেংকৰ চেভিংচ একাউণ্টৰ সুতৰ হাৰ ভাৰতীয় ৰিজাৰ্ভ বেংকৰ দ্বাৰা নিয়ন্ত্ৰিত আৰু সুৰক্ষিত হয়।
- মুক্ত সুতৰ হাৰৰ প্ৰচলন আৰু ইয়াৰ গাঁথনি আৰু স্তৰৰ নমনীয়তা ৰক্ষা কৰাৰ বাবে ভাৰতীয় ৰিজাৰ্ভ বেংকে তলৰ উপায়সমূহ অৱলম্বন কৰিছে।
  - ➢ বেংকক আমানতকাৰীৰ বাবে নমনীত সুতৰ হাৰ প্ৰয়োগ কৰাৰ বাবে উৎসাহিত কৰা।
  - ➢ পি এল আৰ (PLR) সৰ্বোচ্চ গতি পৰ্যালোচনা আৰু ঘোষণাৰ বাবে বেংকক তানি ধৰা। আৰু
  - ➢ বিভিন্ন ম্যাদপূৰ্ণ আমানৰ হাৰ, আমানতকাৰীৰ বাৰ্ষিক আয় আৰু ঋণগ্ৰহণকাৰীৰ ওপৰত লোৱা সৰ্বোচ্চ আৰু সৰ্বনিম্ন সুতৰ হাৰৰ তথ্যৰ বাবে ৰিজাৰ্ভ বেংকে অন্য বেংকবোৰৰ তথ্য অনুসন্ধান কৰে।

সুতৰ হাৰ নীতিৰ স্তৰসমূহ

ভাৰতবৰ্ষত ১৯৫১ চনৰ পৰা সুতৰ হাৰ নীতিটোক পাঁচটা ভাগত ভগাব পাৰি। সেহকেইটা হ'ল

(১) ১৯৫১-৫২ ৰ পৰা ১৯৬০-৬১ = নমনীয় সুতৰ হাৰ পদ্ধতি

(২) ১৯৬১-৬২ ৰ পৰা ১৯৮৫-৮৬ = প্ৰশাসনীয় আৰু নিয়ন্ত্ৰীত সুতৰ হাৰ পদ্ধতি।

(৩) ১৯৮৬-৮৭ ৰ পৰা ১৯৯০-৯১ = মুক্ত পদ্ধতিৰ আৰম্ভণি আৰু অধিক নমনীয় সুতৰ হাৰ প্ৰচলন লগতে আংশিক প্ৰশাসনীয় সুতৰ হাৰ পদ্ধতিৰ আৰম্ভ।

(৪) ১৯৯১-৯২ ৰ পৰা ১৯৯৬-৯৭ = প্ৰগতিশীল অনিয়ন্ত্ৰীত বা মুক্ত আৰু নমনীয় সুতৰ হাৰৰ প্ৰচলন আৰু অ-নিয়ন্ত্ৰীত সুতৰ হাৰ গুৰুত্বপূৰ্ণভাৱে বৃদ্ধি।

(৫) ১৯৯৭-৯৭ ৰ পৰা ২০০৩-০৪ = প্ৰায় সম্পূৰ্ণ মুক্ত আৰু নমনীয় পদ্ধতিৰ পৰিচালনা আৰু ভাৰতবৰ্ষত সৰ্বনিম্ন স্তৰৰ সুতৰ হাৰ নাইবা স্তৰভিত্তিত মুক্ত আৰু সস্তা টকাৰ প্ৰচলন।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ঃ মুক্ত বা অনিয়ন্ত্রিত সুতৰ হাৰ কি?

.....

.....

প্রশ্ন নং ৬ঃ মুক্ত সুতৰ হাৰৰ দুটা বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....

৪.৮ বিল হাৰ (BILL RATES)

বিলৰ সুতৰ হাৰক দুটা ভাগত বিভক্ত কৰি আলোচনা কৰিব পাৰি। যেনে— চৰকাৰী বিল (কোষাগাৰ বিল) আৰু বাণিজ্যিক বিল। কোষাগাৰ বিল হ'ল এটা বিত্তীয় বিল বা চৰকাৰৰ দ্বাৰা বিলি কৰা প্রতিজ্ঞাপত্র। এই বিলৰ মুখ্য বৈশিষ্ট্য হ'ল— ইয়াৰ ওপৰত থকা সুতৰ হাৰ চৰকাৰৰ দ্বাৰা নির্ধাৰিত আৰু প্রশাসিত। কিন্তু যোৱা কেইবছৰ মানৰ পৰা নিবিদা পদ্ধতিত এই বিলৰ বেপাৰ আৰম্ভ কৰি বহুদিন চলি অহা নির্ধাৰিত ফল। আয় হাৰৰ সলনি ঘটাই পৰিবর্তনশীল পদ্ধতি প্রচলন কৰে। চৰকাৰী নিৰাপত্তা পত্র বজাৰ সম্পর্কত সুতৰ হাৰৰ ফালে অবধাৰিত কৰাৰ বাবে এই পদ্ধতি অৱলম্বন কৰা হয়। ভাৰতীয় ৰিজার্ভ বেংকে যি হাৰত কোষাগাৰ বিল বিক্রী কৰে সেই হাৰক কোষাগাৰ বিল হাৰ বোলে। কোষাগাৰ বিলৰ প্রধান লাভ হ'ল এই বিলৰ বিক্রীৰ ওপৰত থকা বাট্টা। বিক্রী মুল্য আৰু পৰিশোধনীয় মূল্যৰ মাজত থকা পার্থক্যই হ'ব বাট্টা হাৰ। ১৯৯৩ চনলৈকে কোষাগাৰ বিল প্রশাসিত হৈ আহিছিল কিন্তু ১৯৯৩ চনৰ ১ জানুৱাৰীৰ পৰা ইয়াক বজাৰৰ গতিৰ দ্বাৰা নির্ধাৰিত হয়।

বাণিজ্যিক বিলক বিষদভাৱে বিনিময় বিল বুলিও জনা যায় ই হ'ল এটা ঋণ আহিলা নাইবা পুনঃ বাট্টাৰ সুবিধা থকা অহিলা। বিল হাৰ হ'ল বিল বিত্তায়নৰ ওপৰত থকা খৰচ। বিভিন্ন বিল হাৰ—

(ক) বেংক হাৰ (খ) SBI হুণ্ডি হাৰ (গ) বজাৰ বিল হাৰ (ঘ) বাণিজ্যিক বেংকৰ বিল বিত্ত হাৰ ইত্যাদি বেংক হাৰ হ'ল ভাৰতীয় ৰিজার্ভ বেংকে বাণিজ্যিক বেংকৰ যোগ্য বিলৰ পুনঃ বাট্টায়নৰ হাৰ। এছ বি আই হুণ্ডি হাৰ হ'ল এছ বি আই খিলঞ্জীয়া বেংকলৈ দিয়া হুণ্ডিৰ বাট্টা হাৰ। বজাৰ বিল হাৰ হ'ল ক্ষুদ্র ব্যৱসায়ৰ বিল ওপৰত মহাজন সকলে আগবঢ়োৱা বাট্টা। বাণিজ্যিক বেংক বিল বিত্ত হাৰ হ'ল ভাৰতীয় ৰিজার্ভ বেংকে নির্ধাৰণ কৰ সর্ব ঃনিম্ন হাৰ যি হাৰত বাণিজ্যিক বেংকে বিল বাট্টায়ন কৰিব পাৰে। বাট্টা হাৰ হ'ল এছ বি আয়ে প্রথম শ্রেণীৰ বাণিজ্যিক সম্মত (Usance) বিলৰ ওপৰত নির্ধাৰিত বাট্টা হাৰ।

ভাৰতবর্ষত বিল বিত্তৰ খৰচ সুচাবৰ বাবে ব্যৱহাৰ হোৱা হাৰ হ'ল বাণিজ্যিক বিলৰ

বাবে SBI আৰু ভাৰতীয় বাট্টা আৰু বিত্ত ভৱনৰ (DFHI) দ্বাৰা নির্ধাৰিত বাট্টা হাৰ। এই হাৰৰ লগতে ভাৰতীয় ৰিজার্ভ বেংকে (RBI) মাজে-সময়ে এটা বেংকে অন্য এটা বাণিজ্যিক বেংকৰ লগত বাট্টায়ন কৰিব পৰাকৈ বাট্টাৰ ওপৰত সর্বোচ্চ সীমা নির্ধাৰণ কৰে। কিন্তু বর্তমান এই সীমা RBI য়ে উঠাই লৈছে।



জনা উচিত (LET US KNOW)

১৯৮৮ চনৰ মার্চ মাহত ভাৰতীয় ৰিজার্ভ বেংকে যুটীয়াভাৱে ৰাজহুৱা বেংক আৰু সর্বভাৰতীয় বিত্তীয় প্রতিষ্ঠানৰ লগ লাগি ভাৰতীয় বাট্টা আৰু বিত্ত ভৱন (DFHI) গঠন কৰে। ই মুদ্রা বজাৰ আহিলা যেনে ক'ল মুদ্রা, বাণিজ্যিক বিল, কোষাগাৰ বিল ইত্যাদিৰ লগত জড়িত। ই বাণিজ্যিক বেংক, সমবায় বেংক, অন্য বিত্তীয় প্রতিষ্ঠান, কোম্পানী ইত্যাদিৰ পৰা পুঁজি আহৰণ কৰি মুদ্রা বজাৰত ধাৰালৈ দিয়ে।

৪.৯ আমানত হাৰ (DEPOSIT RATES)

আমানতৰ বাবদ ৰাইজলৈ আগবঢ়োৱা সুতৰ হাৰক আমানত হাৰ বোলে। ম্যাদপুর্ণতাৰ ওপৰত নির্ভৰ কৰি বিভিন্ন কোম্পানীয়ে ৰাজহুৱা আমানতৰ ওপৰত সুতৰ হাৰ পৃথক হোৱা দেখা যায়। সাধাৰণতে কোম্পানী ৰাজহুৱা আমানতৰ ওপৰত দিয়া সুতৰ হাৰ বেংকে আমানতৰ ওপৰত দিয়া সুতৰ হাৰতকৈ অধিক হয়। চৰকাৰী নিৰাপত্তাপত্রত, ডাকঘৰৰ সঞ্চয় হিচাপত জমা ৰখা ধন আৰু অন্য ক্ষুদ্র সঞ্চয় আঁচনিৰ ওপৰত দিয়া সুতৰ হাৰ প্রশাসিত সুতৰ হাৰ। ঘৰুৱা জমা পুঁজি চৰকাৰী কোষাগাৰলৈ প্রবাহিত কৰাৰ উদ্দেশ্যে চৰকাৰে ইচ্ছাকৃতভাৱে ইয়াৰ সুতৰ হাৰ আকর্ষণীয় হাৰত নির্ধাৰিত কৰে। আনহাতে কোম্পানীৰ ৰাজহুৱা আমানতৰ সুতৰ হাৰ অনিয়ন্ত্রিত আৰু বজাৰ শক্তিৰ দ্বাৰা নির্ধাৰিত। বেংক আমানতৰ সুতৰ হাৰ অনিয়ন্ত্রিত যদিও বেংকসমূহৰ মাজত থকা বুজাপৰা আৰু চুক্তিৰ বাবে বেংকৰ সুতৰ হাৰ প্রায় স্থিৰ হৈ থাকে। ৰাজহুৱা জমা/আমানতৰ ওপৰত বেংকে আগবঢ়োৱা সুতৰ হাৰতকৈ কোম্পানীবোৰে অধিক সুত আগবঢ়ায়, কিয়নো কোম্পানীত কৰা আমানতৰ বিপদ অধিক হয়। কিন্তু আমানত পুঁজিৰ সুৰক্ষা নির্দিষ্ট কৰাৰ উদ্দেশ্যে ৰাজহুৱা আমানতৰ সুতৰ সর্বোচ্চ হাৰ চৰকাৰে নির্ধাৰিত কৰে।

৪.১০ খত হাৰ (BOND RATES)

খতৰ বিপৰীতে পুঁজি বিনিয়োগ কৰাৰ বাপদ যি বিবেচিত মূল্য দিয়া হয় তাক খতৰ হাৰ বোলে। উন্নয়নমূলক কামৰ বাবে পুঁজি আহৰণৰ উদ্দেশ্যে চৰকাৰে সময়ে সময়ে দীর্ঘ্যম্যাদী খত বিলি কৰে। আনহাতে মুদ্রা যোগান নিয়ন্ত্রণ আৰু মুদ্রানীতি অনুসৰি টকা সৰবৰাহ কৰিবলৈ চৰকাৰে কোষাগাৰ বিল বিলি কৰে। এই চৰকাৰী আহিলাবোৰৰ সুতৰ হাৰ স্থায়ী আছিল। কিন্তু

১৯৯০ দহকৰ পৰা কোষাগাৰ বিল আৰু চৰকাৰী খতৰ সুতৰ হাৰ বজাৰ হাৰৰ লগত সংলগ্ন কৰা হয়।

চৰকাৰৰ উপৰিও প্ৰতিষ্ঠান আৰু নিগমবোৰে নিৰ্দিষ্ট সুতৰ হাৰত নিৰ্ধাৰিত ম্যাদৰ বাবে বাস্তৱ শাৰীৰিক সম্পত্তিৰ জামিনৰ বিপৰীতে খ'ত পত্ৰ বিলি কৰে। যদিওবা খত সাধাৰণতে নিৰ্ধাৰিত কুপন হাৰ সুতত বিলি কৰা হয়, বৰ্তমান সময়ত ইয়াৰ বহুটো শুধৰণী ঘটোৱা হৈছে। সাময়িক নিৰ্ধাৰিত সুত প্ৰদানৰ উল্লেখ অবিহনে খত বিলি কৰিব পাৰি, কিন্তু তেতিয়া ইয়াক বাট্টা মূল্যত বিলি কৰিব লাগে। তেনে খ'তক 'জিৰ' কুপন খত (Zero-Coupon Bond) নাইবা গভীৰ বাট্টা খত (Deep Discount Bonds) বোলে। আন এক ধৰণৰ খত পোৱা যায় যাৰ সুতৰ হাৰ আগতিয়াকৈ নিৰ্ধাৰণ নকৰি বজাৰ সুতৰ হাৰৰ লগত সলনি হৈ থাকে। তেনে হাৰক ওপঙা সুতৰ হাৰ (Floting interest rate) বোলে। ১৯৮৫ চনৰ পৰা ব্যক্তিগত খণ্ডৰ নিগম প্ৰতিষ্ঠানৰ খত আৰু চৰকাৰী খতৰ লগতে ৰাজহুৱা খণ্ডৰ খতো ৰাইজৰ মাজত আকৰ্ষিত হৈ আহিছে। এইবোৰ খত সাত বছৰৰ আগেয়ে পৰিশোধনীয় নহয় আৰু কেন্দ্ৰীয় বিত্তীয় মন্ত্ৰালয়ে নিৰ্ধাৰিত নিৰ্দিষ্ট হাৰত সুত দিয়া হয়।



খত/ব'ণ্ড ঃ এটা ঋণ নিৰাপত্তা পত্ৰ, যাৰ দ্বাৰা বিলিকাৰীয়ে ঋণ গ্ৰহণ কৰে আৰু খত গ্ৰহণকাৰীক সুতৰ সৈতে মূলধন পুঁজি ঘূৰাই দিয়াৰ বাবে দায়বদ্ধ।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ঃ তলৰ উক্তিবোৰ শুদ্ধ নে অশুদ্ধ লিখক।

(১) কোষাগাৰ বিলৰ সুতৰ হাৰ চৰকাৰৰ দ্বাৰা প্ৰশাসিত নহয়।

(২) বাণিজ্যিক বিল হ'ল ঋণৰ আহিলা।

(৩) চৰকাৰে টকা যোগান নিয়ন্ত্ৰণৰ বাবে কোষাগাৰ বিল বিলি কৰে।



৪.১১ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ (LET US SUM UP)

- সুত হ'ল ঋণ গ্ৰহণকাৰীয়ে এটা সময়ৰ বাবে ঋণ দাতাৰ টকা লোৱাৰ বাবদ দিবলগীয়া মূল্য। প্ৰায়বোৰ উন্নয়নশীল দেশৰ সুতৰ হাৰ চৰকাৰৰ দ্বাৰ নিৰ্ধাৰিত। চৰকাৰৰ দ্বাৰা নিয়ন্ত্ৰিত আৰু পৰিচালিত সুতৰ হাৰত প্ৰশাসিত সুতৰ হাৰ বোলে।
- যিকোনো অৰ্থনৈতিক বিত্তীয় বজাৰত হ্ৰস্যম্যাদী, মধ্যৱৰ্তী আৰু দীৰ্ঘম্যাদী বিভিন্ন সুতৰ হাৰ প্ৰচলিত থাকে।
- মাৰ্কিন যুক্তৰাষ্ট্ৰ, ইংলেণ্ড, জাপান আৰু অষ্ট্ৰেলিয়াৰ দৰে ভাৰততো প্ৰশাসিত আৰু নিয়ন্ত্ৰিত সুতৰ হাৰে অধিপত্য চলাই আহিছে। যোৱা কেইটামান দশকত অনিয়ন্ত্ৰিত তথা মুক্ত সুতৰ হাৰ প্ৰচলিত হৈ আহিছে যদিও এতিয়াও অধিক সংখ্যক সুতৰ হাৰ চৰকাৰৰ দ্বাৰা নিয়ন্ত্ৰিত।

- প্রশাসিত সুতৰ হাৰৰ উৎকৃষ্ট কেইটামান উদাহৰণ হ'ল কোষাগাৰ বিল হাৰ, ডাকঘৰৰ ছেভিংছ একাউণ্ট ৰাজহুৱা ভৱিষ্যনিধি পুঁজি আৰু অন্য চৰকাৰী নিৰাপত্তাপত্র যেনে ৰাষ্ট্রীয় সঞ্চয় প্রমাণপত্র (NSC), কিশান বিকাশ পত্র ইত্যাদি। বাণিজ্যিক বেংকৰ ম্যাদী আমানত হাৰ হ'ল ভাৰততে প্রচলিত অনিয়ন্ত্রিত/মুক্ত সুতৰ হাৰ।
- ভাৰতীয় গাঁথনিৰ সুতৰ হাৰক 'সৰল সুতৰ হাৰ নীতি' নামেৰে জনা যায়, কিয়নো অনিয়ন্ত্রিত হোৱাৰ পাঁচটো সুতৰ হাৰৰ গাঁথনিয়ে সামাজিক-অর্থনৈতিক-ৰাজনীতি গাঁথনিত কাম কৰি আহিছে।



৪.১২ অধিক জানিবলৈ (FURTHER READINGS)

১) Pathak, Bharati V (2006). The Indian Financial System : Markets, institutions and services. New Delhi, Pearson Education Ltd.

২) Batra G.S. (2002). Financial services and markets. New Delhi, Deep and Deep Publication Pvt. Ltd.



৪.১৩ অগ্রগতিৰ খতিয়ান (ANSWERS TO CHECK YOUR PROGRESS)

১ নং প্রশ্নৰ উত্তৰঃ (ক) ই হ'ল ঋণ গ্রহণকাৰীয়ে ঋণদাতাৰ টকা নির্দিষ্ট সময়ৰ বাবে ব্যৱহাৰ কৰাৰ বাবদ দিবলগীয়া মূল্য।

২ নং প্রশ্নৰ উত্তৰঃ (ক) ই মুদ্রাস্ফিতি নিয়ন্ত্রণত সহায় কৰে।

(খ) ই অর্থনৈতিক বিনিয়োগৰ স্তৰত প্রভাৱ পেলায়।

৩ নং প্রশ্নৰ উত্তৰঃ ই হ'ল খতৰ লিখিত মূল্যৰ ওপৰত দিয়া সুতৰ হাৰ

৪ নং প্রশ্নৰ উত্তৰঃ (ক) অশুদ্ধ (খ) শুদ্ধ

৫ নং প্রশ্নৰ উত্তৰঃ (ক) যি সুতৰ হাৰ বজাৰৰ চাহিদা আৰু যোগানৰ শক্তিৰ দ্বাৰা নির্দ্ধাৰিত হয় তাক মুক্ত বা অনিয়ন্ত্রিত সুতৰ হাৰ বোলে।

৬ নং প্রশ্নৰ উত্তৰঃ (ক) সুতৰ হাৰ নির্দ্ধাৰণত চৰকাৰৰ কোনো হস্তক্ষেপ নাথাকে।

(খ) ই বেংকভেদে বা আহিলাভেদে পৃথক হব পাৰে।

৭ নং প্রশ্নৰ উত্তৰঃ ১) অশুদ্ধ, ২) শুদ্ধ, ৩) শুদ্ধ



৪.১৪ আৰ্হি প্ৰশ্ন (MODEL QUESTIONS)

প্ৰশ্ন ১ঃ প্ৰশাসিত সুতৰ হাৰৰ অৰ্থ আৰু গুৰুত্বপূৰ্ণ বৈশিষ্টবোৰ বৰ্ণনা কৰক।

প্ৰশ্ন ২ঃ সুতৰ হাৰ কি? ভাৰতত প্ৰচলিত বিভিন্ন সুতৰ হাৰৰ বৰ্ণনা কৰক।

প্ৰশ্ন ৩ঃ চমুটোকা লিখক -

ক) বেংক হাৰ, খ) অ-নিয়ন্ত্ৰীত সুতৰ হাৰৰ বৈশিষ্ট্য, গ) বিল হাৰ

ঘ) ভাৰতবৰ্ষত সুতৰ হাৰ অনিয়ন্ত্ৰিত কৰাৰ পদ্ধতি।

*** ***** ***